بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡم    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡم    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জু’মা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ৩ মাৰ্চত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

**-ঃ নিকাহৰ আগত বেছিকৈ ইস্তেখাৰা কৰিবা ঃ-**

নবী কৰিম (ছাঃ) য়ে অতিকৈ কৰুণা কৰিছে যে, আমালোকক এনেকুৰা বাটৰ সন্ধান দিছে যে, যদি আমি তাৰ ওপৰত আমল কৰোঁ তেন্তে ইনশা আল্লাহ নিকাহ নিশ্চয় হ’ব সুখৰ আকৰ। সদায় এই দোৱা কৰিব লাগে যে বৈবাহিক জীৱণ যেন সুখ-শান্তি আৰু ভালপোৱাৰ মাজেৰে পাৰ হয়।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ; ল’ৰা আৰু ছোৱালীৰ বৈবাহিক সম্পৰ্ক গঢ়াৰ ক্ষেত্ৰত আকৌ সম্পৰ্ক গঠিত হোৱাৰ পিছত পাৰিবাৰিক সমস্যা আদি এনেকুৰা হৈ পৰে যে ঘৰখনত এটা অশান্তিৰ কাৰণ হৈ পৰে। বিয়াৰ পিছত উদ্ভৱ হোৱা সমস্যা কেৱল পতি-পত্নীৰ মাজতেই সীমাবদ্ধ নাথাকে বৰং সেয়া দুয়োফালৰ পিতৃ-মাতৃৰ বাবেই অশান্তিৰ কাৰক হৈ পৰে। কেৱল ইখিনিয়ে নহয় যদি সন্তান আহি যায় তেন্তে সন্তানৰ মাজতো চৰম অশান্তিৰ জন্ম দিয়ে। বেছি ভাগেই দেখিবলৈ পোৱা যায় যে সেই সন্তান সকলে ধৰ্মীয় আৰু জাগতিক, দুয়ো দিশতে পথ ভ্ৰষ্ট হ’বলৈ লয় আৰু মাক-দেউতাকৰ বাবে আন এটা অশান্তিয়ে দেখা দিয়ে। মুঠতে অশান্তিৰ এটা ধাৰাবাহিকতা আৰম্ভ হৈ যায়। প্ৰায় নিতৌ মোলৈ এনে বিষয় সংক্ৰান্তে চিঠি আহি থাকে। মোৰ লগত সাক্ষাৎ কৰা সময়তো লোকে এনে সমস্যাৰ উল্লেখ কৰে। এফালে ছোৱালী সকলৰ বিয়াৰ এটা সমস্যা আছে, কিছুমানে অধ্যয়নৰ কাৰণ দৰ্শাই সময় মতে বিয়া নাপাতে আৰু যেতিয়া বিয়া বাৰু পাতে তেতিয়া দুয়োৰে মাজত বুজাবুজিৰ অজুহাতত দুৰত্বৰ জন্ম হয় আৰু বাক বিতণ্ডাৰ জন্ম হয়। কিছুমান ছোৱালীৰ ক্ষেত্ৰত দেখা যায় যে বান্ধৱীৰ পৰামৰ্শই তাইৰ মনত ভূল ধাৰণাৰ জন্ম দিয়ে। আকৌ মাক-দেউতাকেও মাজে সময়ে নিজৰ ছোৱালীক এনেকুৰা কথা শিকায় যাৰ ফলত ল’ৰা-ছোৱালী অথবা পতি-পত্নীৰ পাৰস্পৰিক বিশ্বাস হেৰাই যায় আৰু সন্দেহৰ বীজ গজিবলৈ লয়। আফছোচৰ বিষয় হ’ল এয়া যে পাকিস্থানৰ ছোৱালী বিয়াৰ পিছত পশ্চিমীয়া দেশবোৰলৈ আহি ইয়াৰ স্বাধীনতা দেখা পাই ইয়াৰে ৰঙত ৰঙ্গীন হৈ বিভিন্ন ভুল দাবী-দাওয়া কৰিবলৈ আৰম্ভ কৰে। কিছুমানে সম্পৰ্ক ছেদ কৰি দিয়ে। এনে অৱস্থা কেৱল ছোবালী সকলৰেই নহয় বৰং ল’ৰা সকলেও এনেকুৰা কৰি আছে। কিন্তু ল’ৰাতকৈ ছোৱালী বোৰে বেছি এই ক্ষেত্ৰত আগবাঢ়ি গৈছে। ইয়াৰ কাৰণ হ’ল বেছি ভাগ ল’ৰা-ছোৱালী খোলা-খুলি কথাৰে নচলে। সকলো ধৰণৰ অৱস্থা-ব্যাৱস্থা এজনে আনজনক নকয়। আকৌ কেতিয়াবা মাক-বাপেকে জীয়ৰীৰ সন্মতি নোলোৱাকৈ বিয়া পাতি দিয়ে। যিবোৰ বিয়া শিক্ষাগত পাৰ্থক্য আৰু বেশ-ভূষাৰ কাৰণে সামঞ্জসতা নাৰাখে।

যিয়েই নহওক ল’ৰাই হওঁক বা ছোৱালী কেৱল এফালে সম্পূৰ্ণ দোষ জাপি দিব নোৱাৰি। কিছুমান ক্ষেত্ৰত লৰাৰ দোষ আকৌ কিছুমানত ছোৱালীৰ দোষ থাকে। আকৌ মই যেনেকৈ উল্লেখ কৰিছো যে পাৰিবাৰিক অৱস্থাই সন্তানৰ ওপৰত প্ৰভাৱ পেলায়। মাক-দেউতাৰ বিচ্ছেদ হোৱাৰ পিছত যাৰ ওচৰতেই সন্তান থাকক সেই সন্তান প্ৰবৃত্তিগত বাবে আৰু চাৰিত্ৰিক আৰু অন্নান্য পাৰদৰ্শিতাৰ ক্ষেত্ৰত প্ৰভাৱিত হৈ থাকে। আকৌ পতি-পত্নীৰ বিষয় সন্দৰ্ভত ছোৱালীৰ মাক-দেউতাৰ ভূমিকা ৰৈ আছে। আকৌ প্ৰকৃত বিষয়টো স্পষ্ট ভাৱে নোকোৱাৰ বাবে অভিযোগ উঠে। সকলো কথা মুকলি মুৰীয়াকৈ কোৱা উচিত। এনেদৰে কিছুমান কথা ল’ৰা আৰু তাৰ পৰিয়াল সম্পৰ্কে ছোৱালীৰ কবলৈ থাকে। উদাহৰণ স্বৰূপে ল’ৰাৰ মাক-দেউতাকে অথবা সম্পৰ্কীয় সকলে বোৱাৰীৰ আগত সদায় নিজৰ ল’ৰাৰ প্ৰশংসা কৰি, ইটো-সিটো কৈ বোৱাৰীক হেয় কৰি ৰখাৰ চেষ্টা কৰি থাকে। আকৌ ল’ৰা-ছোৱালীৰ (পতি-পত্নী) সম্পৰ্কত অন্যায় হস্তক্ষেপ কৰি থাকে। ছোৱালীয়ে অভিযোগ কৰে যে ল’ৰাৰ বৈবাহিক দায়িত্ব পালন নকৰে। নিজৰ দায়িত্ব উপলব্দি কৰিব নোৱাৰে। যিয়েই নহওক এনেকুৰা অভিযোগৰ এটা সুতি উন্মোচন হৈ বৈ যাব ধৰে।

যদি এই পাৰিবাৰিক সমস্যাৰ বিভিন্ন কাৰণ এটা বাক্যৰে প্ৰকাশ কৰিবলৈ যোৱা হয় তেন্তে সেয়া হ’ল ধৰ্মৰ পৰা আতঁৰ,

ধৰ্মীয় শিক্ষাৰ অজ্ঞতা, পাৰ্থিব মোহ আৰু জাগতিকতাৰ প্ৰতি আগ্ৰহ । যদি এই সমস্যাবোৰৰ হাত সাৰিব বিচাৰে তেন্তে সেয়া ধৰ্মীয় আলোকৰ মাজেৰে বিচাৰিব লাগিব । এফালে আমি নিজকে আহমদী বুলি পৰিচয় দিওঁ আৰু দাবী কৰো যে আমি ধৰ্মক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিওঁতা সেয়ে আমি এই বোৰ সমস্যাৰ সমাধান দ্বীনি শিক্ষাৰ মাজেৰে বিচাৰিব লাগিব, যিবোৰ কোৰ’আন, হদীছ আৰু হজৰত মছিহ মাওউদ (আঃ) ৰ শিক্ষাত পোৱা যায় । এয়া আমাৰ সৌভাগ্য যে আমি ইছলাম গ্ৰহন কৰিছো, আমি মুছলমান আৰু হজৰত মছিহ মাওউদ (আঃ) ক মানি লৈছো যিজনে আমালোকৰ পৰা সকলো অৱস্থাতেই ধৰ্মক দুনীয়াদাৰীৰ আগত প্ৰাধান্য দিয়াৰ প্ৰতিশ্ৰুতি লৈ লৈছে । এই প্ৰতিশ্ৰুতি আমি বিভিন্ন সময়ত পাঠ কৰি থাকো কিন্তু আমল কৰোঁতে পাহৰি যাওঁ । বিয়া পাৰ্বনৰ সময়ত উত্তম ধৰ্ম সেৱক সকলেও এয়া পাহৰি থাকে যদিও বিয়া আৰু সম্বন্ধ গঢ়াৰ বাবে বিশেষ হিদায়েত আমি আঁহজৰত (ছাঃ) ৰ পৰা আমি পাইছো যে দ্বীনক দুনীয়াদাৰীৰ ওপৰত প্ৰাধান্য দিয়া । আঁহজৰত (ছাঃ) ৰ এই কথা আমি মনত ৰাখিব লাগিব যি সম্বন্ধ গঢ়াৰ সময়ত আমি সন্মুখত ৰাখিব লাগিব । তেখেত (ছাঃ) য়ে কৈছে ; যিটো হজৰত আবু হুৰায়েৰা (ৰাঃ) য়ে উল্লেখ কৰিছে যে আঁহজৰত (ছাঃ) য়ে কৈছে যে ; চাৰিটা গুনাৱলীৰ ভিত্তিত ছোৱালীক বিয়া কৰাব লাগে । তাইৰ ধন মাল, মাকদেউতাৰ বংশ, দ্বীনদাৰী আৰু তাইৰ সৌন্দৰ্য্য চাই বিয়া কৰাব লাগে । গতিকে তোমালোকে দ্বীনদাৰ মহিলাক বাছি লৰা । আল্লাহ তায়লা তোমালোকৰ কল্যাণ কৰিব । যদি এই কথাখিনি ল’ৰা আৰু তাৰ পৰিয়ালে মানি চলে তেন্তে ছোৱালী ঘৰৰ মানুহেও ধৰ্মক অগ্ৰাধিকাৰ দিব । যেতিয়া ধৰ্মই দুয়োৰে মাজত প্ৰাধান্যতা লাভ কৰিব তেতিয়া বিভিন্ন ধৰণে উঠা অভিযোগ সমুহ দুয়োটা পৰিয়ালৰ পৰা আঁতৰি যাব । যিজন ল’ৰাই দ্বীনদাৰ ছোৱালী নিকাৰৈ বিচাৰিব আৰু ধৰ্মক অগ্ৰাধিকাৰ দিব, তেওঁৰ আমল ধৰ্মীয় শিক্ষা অনুযায়ী হ’ব লাগিব । যিখন পৰিয়ালৰ লৰায় দ্বীনী শিক্ষা অনুযায়ী আমল কৰিব তাৰ ঘৰত বিনা কাৰণতে সৰু-সৰু কথাত দন্ধ বিবাদৰ জন্ম নহয় আৰু দুয়োটা পৰিয়ালৰ মাজত সমস্যাৰ সৃষ্টিও নহয় ।

ইছলামত এই শিক্ষা আছে যে সম্বন্ধ গঢ়াৰ আগত ইস্তেখাৰা কৰি লোৱা । আল্লাহ তায়লাৰ পৰা ভাল সম্বন্ধ এটা গঢ়ি উঠাৰ বাবে কল্যাণ কামনা কৰা । যদি কোনো গঢ়িবলৈ কোৱা সম্পৰ্ক আল্লাহ তায়লাৰ ওচৰত কল্যাণকৰ নহয় সেয়া যেন বন্ধ কৰি দিয়ে । এই বিষয়ে হজৰত খলিফাতুল মছিহ আউৱাল (ৰাঃ) য়ে কৈছে যে ; নবী কৰিম (ছাঃ) য়ে অতিকৈ কৰুণা কৰিছে যে আমালোকক এনেকুৱা বাটৰ সন্ধান দিছে যে, যদি আমি তাৰ ওপৰত আমল কৰো তেন্তে ইনশা আল্লাহ নিকাহ নিশ্চয় হ’ব সুখৰ আকৰ । উল্লেখ কৰিছে যে প্ৰথম চেষ্টা এয়া হ’ব লাগে যে নিকাহৰ উদ্দেশ্য ধৰ্ম সম্বলিত হ’ব লাগে অৰ্থাৎ দ্বীন বিচাৰিব লাগে । সৌন্দৰ্য্য ধন মাল আৰু উচ্চ বংশ মৰ্যদা পোৱা উদ্দেশ্য হ’ব নালাগে । প্ৰথমে নিয়ত নেক হ’ব লাগিব, দ্বিতীয়তে নিকাহৰ আগত ইস্তেখাৰা কৰিব লাগিব । গতিকে কোনো সম্বন্ধ গঢ়াৰ বাবে দোৱা কৰিব লাগিব যে হে আল্লাহ ইয়াতে যদি মোৰ বাবে কল্যাণ আৰু শান্তি বৈ আছে তেন্তে এই সম্পৰ্ক গঢ়ি উঠক অৰ্থাৎ নিকাহ হৈ যাওঁক । তেন্তে সেই বৈবাহিক জীৱণ সুখময় হৈ উঠে । মনত ৰাখিব যে বিয়াৰ পিছতো চয়তানে আক্ৰমন চলাই থাকে । গতিকে সদায় এই দোৱা কৰিব লাগে যে আমাৰ বৈবাহিক জীৱণ সদায় শান্তি আৰু প্ৰেমৰ মাজেৰে অতিবাহিত হওঁক ।

হজৰত খলিফাতুল মছিহ আউৱাল (ৰাঃ) য়ে কৈছে যে ; ডাঙৰ-ডাঙৰ কামৰ ভিতৰত নিকাহও এটা ডাঙৰ কাম । আমি কোনো এটা কামৰ ফলাফল সম্পৰ্কে অজ্ঞাত । কিন্তু আল্লাহ তায়লা অদৃশ্য আৰু বিদ্যমান সকলোৰে বিষয়ে অৱগত গতিকে বেছিকৈ ইস্তেখাৰা কৰিব লাগে আৰু খোদা তায়লাৰ সহায় ভিক্ষা কৰিব লাগে । তেখেতে খোতবা নিকাহৰ আয়াতক উদ্দেশ্যই কৈছে যে ; ইয়াত এই উপদেশ দিয়া আছে যে তাকওয়া অৱলম্বন কৰি সহানুভূতিশীল সম্পৰ্কৰ বাবে মুকলিমুৰীয়া কথা বতৰাৰে কাম কৰি যোৱা । যদি তুমি জীৱণত উন্নতি বিচৰা তেন্তে তাকওৱা অৱলম্বন কৰা । আকৌ নিকাহৰ মোবাৰকবাদৰ সময়ত আঁহজৰত (ছাঃ) য়ে এই দোৱা কৰিবলৈ শিকাইছে بارك الله لك وبارك عليك وجمع بينك ما في الخير- অৰ্থাৎঃ- আল্লাহ তায়লা তোমালোকৰ কল্যাণ কৰক, তোমালোক দুয়োৰে ওপৰত বৰকত দান কৰক আৰু তোমালোক দুয়োজনকে নেকিৰ ওপৰত প্ৰতিষ্ঠিত ৰাখক । ভাৰত, পাকিস্থানৰ পৰিবেশ এতিয়াও বংশমৰ্যদা আৰু জাত পাতৰ সমস্যাত ভোগী আছে । আল্লাহ তায়লা যিহেতু কৈছে যে যেতিয়া কোনো বিয়াৰ প্ৰস্তাব আহে তেতিয়া দোৱা কৰা আৰু ইস্তেখাৰা কৰা । ধৰ্মক প্ৰাধান্য দিয়া । কিন্তু এওঁলোকে ইয়াৰ সলনি বংশ আৰু জাতিৰ পিনে দৃষ্টি দিয়ে । হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে ; আত্মীয়তা বা সম্পৰ্ক ৰচনা কৰাৰ ক্ষেত্ৰত এয়া চাব লাগে যে যাৰ লগত নিকাহ সম্পন্ন হ’বলৈ গৈ আছে তেওঁ নেক আৰু পবিত্ৰ চেতা হয়নে নহয় আৰু এনেকুৱা কোনো আপদত লিপ্ত নেকি যে সেয়া পিছত গৈ সমস্যা হৈ উঠিব পাৰে । মনত ৰাখিব লগীয়া যে দ্বীনৰ ক্ষেত্ৰত জাতপাতৰ মুল্য নাই, মাত্ৰ তাকওৱা আৰু পবিত্ৰতাই হে মুল্য ৰাখে । গতিকে এয়া হ’ল বুনিয়াদী নীতি যে তাকওয়া দেখিব লাগে । বাকী সকলো বিদাত । হয় ! একে আগি চোৱাৰ উল্লেখ আছে কিন্তু তাত কঠোৰতা অৱলম্বন কৰিব নালাগে ।

কিছুমান লোক আছে তেওঁলোকে নিজৰ বংশলৈ বৰ অহংকাৰ কৰে। এনেকুৱা এজন ব্যাক্তি এবাৰ হজৰত খলিফাতুল মছিহ আউৱাল (ৰাঃ) ৰ ওচৰলৈ আহে আৰু কয় যে মই ছৈয়দ বংশৰ লোক, মোৰ ছোৱালীজনীৰ বিয়া। গতিকে আপুনি অলপ সহায় কৰক। তেখেত (ৰাঃ) য়ে মানুহজনক কয় যে মই আপোনাৰ ছোৱালীৰ বিয়াৰ বাবে সেই বস্তুখিনিয়ে আপোনাক দিয়াৰ বাবে সাজু আছো, যি ৰছুলুল্লাহ (ছাঃ) য়ে নিজৰ জীয়েক ফাতিমা (ৰাঃ) ক দিছিল। মানুহজনে এই কথা খিনি শুনা মাত্ৰেই চমকি উঠি কয় যে আপুনি মোৰ নাক কাটিব বিচাৰিছে নেকি ? হজৰত খলিফা আউৱাল (ৰাঃ) য়ে কয় যে ; কিয় ? আপোনাৰ নাক হজৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ) তকৈ মৰ্যদাশীল নেকি ? এনেদৰে মানুহজনক এশকনি দিছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে উল্লেখ কৰে যে ; মাজে সময়ে কিছুমান লোকে বোৱাৰীক ভেকাহি মাৰি কয় যে সামান্য গহনা পত্ৰ আনিছা। এনেদৰে ছোবালীক মনকষ্ট দিয়া লোক সকলৰ বাবে শিক্ষনীয় পাঠ হ'ল তেওঁলোকে ছোৱালীৰ সকলো দিশ চাই লৰ লাগে। এনেদৰে ছোৱালীৰ পক্ষই সামৰ্থ্য অনুযায়ী গহনা-পত্ৰ দিবও লাগে। কিন্তু অকাৰণতে নিজৰ ওপৰত বোজা টানি আনিব নালাগে। এই বিষয়ে আঁহজৰত (ছাঃ) য়ে কৈছে ; হজৰত আবু হুৰায়েৰা (ৰাঃ) ৰ দ্বাৰা লিখিত-লিখিছে যে মই ৰছুলে কৰিম (ছাঃ) ৰ ওচৰত আছিলো এনেতে এজন মানুহ আহি কয় যে তেওঁ আনছাৰ মহিলা এজনীক বিয়াৰ প্ৰস্তাৰ দিছে। ৰছুলে কৰিম (ছাঃ) য়ে প্ৰশ্ন কৰিলে যে ; তুমি সেই মহিলাজনীক দেখিছানে ? মানুজনে উত্তৰ দিলে- নহয়। তেখেত (ছাঃ) য়ে কলে প্ৰথমে তাইক চাই লোৱা কাৰণ আনছাৰ মহিলা সকলৰ চকুত কিছুমান প্ৰশ্ন ৰৈ থাকে। গতিকে ছোৱালী চাই-চিতি লোবাটো দোষণীয় নহয়। কিন্তু কিছুমান দৰা পক্ষই অহংকাৰতে ল'ৰাক লগত লৈ কইনা ঘৰত কইনা চাবলৈ যায় আৰু অহংকাৰতেই বিভিন্ন ধৰণৰ আচৰ্য্য জনক কথা বতৰা পাতে যদিও আগতে ছোৱালীৰ ফটো চাই যোগ্যতাৰ আলোচনাও হৈ থাকে আৰু মাজতে থমকি পৰি জাগতিক ভাৱে অলপ ভাল সম্বন্ধ পালে সেই সময় খিনিতেই আগৰ সম্পৰ্ক ভাঙি দি পিছৰটো সম্পাদন কৰি লয়। এয়া এটা ভুল পন্থা।

ধৰ্মই আমাক নিকাহৰ যি উদ্দেশ্য শিকাইছে তাৰ ওপৰত আমল কৰিলে ছোৱালী সকলৰ কোনো মানসিক কষ্ট নহয়। ল'ৰাৰ পক্ষইও অহংকাৰত আবেগক লৈ খেলিব নোৱাৰে। হজৰত মছিহ মাওউদ (আঃ) য়ে নিকাহৰ উদ্দেশ্য বৰ্ণনা কৰিবলৈ গৈ কয় যে ; কোৰ'আন কৰিমে আমালোকক এয়া শিক্ষা দিয়ে যে ; পৰহেজগাৰ থকাৰ বাবে নিকাহ কৰা আৰু বিয়াৰ পিছত ধৰ্মপৰায়ণ সন্তান লাভৰ বাবে দোৱা কৰা যেনেকৈ পৱিত্ৰ কালামত আছে محصنين غير مسافحين- অৰ্থাৎঃ- উচিত যে তোমালোকৰ নিকাহ এই নিয়তেৰে হওঁক যাতে তুমি তাকওয়া আৰু পৰহেজগাৰীৰ দুৰ্গত সোমাই যোৱা। মোহচিনিন শব্দৰে বুজুৱা হৈছে যে যিজনে বিয়া নকৰায় তেওঁক কেৱল আধ্যাত্মিক আপদেই নহয় বৰং শাৰীৰিক আপদেও আগুৰি ধৰে। কোৰ'আন কৰিমৰ দ্বাৰা প্ৰমানিত হয় যে ; নিকাহৰ পৰা তিনিটা লাভ আহৰণ হয়। প্ৰথম পৱিত্ৰতা পৰহেজগাৰী, দ্বিতীয় শাৰীৰিক নিৰাপত্তা, তৃতীয় সন্তান। গতিকে এইবোৰ কথাৰ প্ৰতি দৃষ্টি ৰাখি বিয়া কৰাব লাগে আৰু দুনীয়াদাৰীৰ বিপৰীতে ধৰ্মক অগ্ৰাধিকাৰ দিব লাগে।

কিছুমান ঘৰত কাজিয়া বিবাদ হোৱাৰ কাৰণ হ'ল ছোৱালী যেতিয়া বিয়া হৈ পতিৰ ঘৰলৈ যায় তেতিয়া পতিৰ পৃথক এখন থকা ঘৰ নথকাত তেওঁ নিজৰ মা-দেউতাৰ লগতে থাকে। কিছুমানে হয়তো অনাটনত বাধ্য হৈ এনেকে থাকে। নাইবা এতিয়াও পঢ়ি আছে। গতিকে ছোৱালীয়েও জনা প্ৰয়োজন যে অসুবিধাৰ বাবে ঘৰ লোৱা হোৱা নাই। কিন্তু কিছুমান দায়িত্ববোধ নথকা আৰু মাক দেউতাকৰ কথাত বাধ্য হৈ মা-দেউতাৰ লগত থাকে। পৃথক এখন ঘৰ লৰ পাৰিও নলয়। আল্লাহ তায়লা কোৰ'আন কৰিমত উল্লেখ কৰিছে لَيْسَ عَلَى الْأَعْمٰى حَرَجٌ وَّلَا عَلَى الْأَعْرَجِ حَرَجٌ وَّلَا عَلَى الْمَرِيْضِ حَرَجٌ وَّلَا عَلٰٓى اَنْفُسِكُمْ

اَنْ تَأْكُلُوْا مِنْۢ بُيُوْتِكُمْ اَوْ بُيُوْتِ اٰبَآئِكُمْ اَوْ بُيُوْتِ اُمَّهٰتِكُمْ

অৰ্থাৎঃ- অন্ধৰ কোনো দোষ নাই, খোৰাৰ কোনো দোষ নাই, নে বেমাৰী নে তোমালোকে ঘৰৰ পৰা খাই চলি থাকিবা অথবা মা-দেউতাকে নিজৰ বাপ-দাদাৰ পৰা খাই চলিবা নতুবা মাকৰ ঘৰৰ পৰা পেট চলাবা। হজৰত খলিফাতুল মছিহ আউৱাল (ৰাঃ) য়ে এই বিষয়ে বৰ্ণনা কৰিছে যে ; ভাৰতত বেছি ভাগ ঘৰতেই শাহু-বোৱাৰীৰ কাজিয়াৰ অভিযোগ আহি থাকে। কোৰ'আন কৰিমৰ নিৰ্দেশৰ ওপৰত আমল কৰিলে এনেকুৱা নহয়। উক্ত আয়াতত পৃথক পৃথক ঘৰৰ বিষয়ে উল্লেখ আছে। মা দেউতাৰ ঘৰ পৃথক। ল'ৰা বোৱাৰীৰ ঘৰ পৃথক। পৃথক পৃথক ঘৰ হ'লেহে পৃথক খাদ্য আদিৰ ব্যাৱস্থা হ'ব। কোনো বাধ্যবাদকতা নাথাকিলে পৃথক এখন ঘৰ থকা উচিত। পৃথক ঘৰ এখন হ'লে শাহু-বোৱাৰী, ননদ আদিৰ সমস্যা দুৰীভূত হ'ব। আল্লাহ তায়লা কৈছে

وَعَاشِرُوْهُنَّ بِالْمَعْرُوْفِ ۚ فَاِنْ كَرِهْتُمُوْهُنَّ فَعَسٰٓى اَنْ تَكْرَهُوْا شَيْـًٔا وَّيَجْعَلَ اللّٰهُ فِيْهِ خَيْرًا كَثِيْرًا

আৰু তেওঁলোকৰ সৈতে উত্তম আচৰণ কৰি জীৱণ যাপন কৰা। فَإِنْ كَرِهْتُمُوهُنَّ (যদি তুমি সেয়া পছন্দ নকৰা) فَعَسَىٰ أَنْ تَكْرَهُوا شَيْئًا তেন্তে সম্ভৱ যে তুমি এটা বস্তু অপছন্দ কৰিব পাৰা। আল্লাহ তায়লা তাত বহুত কল্যাণ নিহিত ৰাখিছে।

হজৰত খলিফা আউৱাল (ৰাঃ) যে উল্লেখ কৰিছে যে ; বন্ধু সকল। যদি তোমালোকে অপছন্দ কৰা তেন্তে তেওঁলোকৰ সৈতে ভাল আচৰণ কৰিবা। আল্লাহ কৈছে যে ; মই তাত সৰ্বোত্তিম গুনাৱলী ঢালি দিম। এনেকুৱাও হ'ব পাৰে যে এটা ভাল কথা তোমাৰ ওচৰত বেয়া অনুমান হৈ আছে। গতিকে যিজন পতিয়ে পত্নীক এৰি দিবলৈ আগ্ৰহী হৈ পৰে, ভাল আচৰণ নকৰে, নাৰীৰ আবেগক মূল্য নিদিয়ে সামান্য কথা এটা বেয়া বুলি ধৰিলৈ বেয়া আচৰণ দেখুৱায়, সিহঁতৰ বাবে উপদেশ হল মহিলা সকলৰ সৈতে উত্তম আচৰণ কৰে যেন।

পুৰুষৰ দ্বিতীয় বিবাহৰ ইচ্ছা বা বিবাহে বহু সমস্যাৰ সৃষ্টি কৰে। ঘৰত কাজিয়া বিবাদ আৰম্ভ হয়। পুৰুষ সকলে মনত ৰাখিব লাগিব যে ইছলামত দ্বিতীয় বিবাহৰ অনুমতি আছে কিন্তু তাৰ চৰ্তও আছে। হজৰত মছিহ মাওউদ (আঃ) যে এই বিষয়ে বৰ্ণনা কৰিছে যে ; ভালকৈ মনত ৰাখিবা যে আল্লাহ তায়লাৰ প্ৰকৃত ইচ্ছা হ'ল যে কুপ্ৰবৃত্তিয়ে যেন তোমালোকৰ ওপৰত জয়লাভ নকৰে, তাকওয়াৰ ৰক্ষাৰ প্ৰয়োজনত দ্বিতীয় নিকাহ কৰিব পাৰা। তাকওয়াদাৰীৰ বাবে দ্বিতীয় বিবাহ জায়েজ আছে। এই জায়েজ সেই সকলে গ্ৰহন কৰিব পাৰে যিসকলে দ্বিতীয় বিবাহৰ ইচ্ছা ৰাখে যে নিকাহ তাকওয়াৰ ভিত্তি স্তম্ব কিন্তু প্ৰবৃত্তিৰ আবেগত নহয়।

তেখেতে আকৌ কয় যে যিজনে প্ৰবৃত্তিৰ বশৱৰ্তী হৈ অধিক স্ত্ৰী গ্ৰহন কৰে তেওঁ ইছলামৰ মুলৰ পৰা আতঁৰি যায়। যদি এজনে দিনে ৰাতি দুখে-বাগৰে জীৱণ যাপন নকৰে চকুলো নুটুকে বা নাকান্দে বা হাহি ধেমালিৰে কটায় তেন্তে মনত ৰাখিবা সেয়া হ'ল ধংসৰ নমুনা। আকৌ তেখেতে মহিলা সকলক নচিহত কৰিছে যে ; যদি পুৰুষে জায়েজ অজুহাতত নিকাহ কৰিব বিচাৰে তেন্তে চিঞৰ বাখৰ কৰিব নালাগে বৰং দোৱা কৰিব লাগে যে হে আল্লাহ তুমি এই সমস্যা দুৰ কৰি দিয়া। হুযুৰ আনোৱাৰ (আইঃ) যে কয় যে ; এই যুগত কিছুমান বিদাতৰ সৈতে নাৰী সকলে সংলগ্ন হৈ পৰিছে, সেই সকলে নিকাহ বিষয়টো বেয়া দৃষ্টিৰে দেখি থাকে মুঠতে ইয়াৰ ওপৰত ঈমান নাৰাখে। তেওঁলোকে নেজানে যে খোদা তায়লাৰ চৰিয়ত প্ৰত্যেক বিষয়ৰে এটা চিকিৎসা স্বৰূপ। গতিকে ইছলামত যদি দ্বিতীয় নিকাহৰ অনুমতি নাথাকিলেহেতেন তেন্তে পুৰুষৰ দ্বিতীয় বিবাহৰ প্ৰয়োজন কালত কোনো উপায় নেথাকিলেহেতেন। উদাহৰণ স্বৰূপে স্ত্ৰী পাগল হৈ যায়, অথবা বাঁজী নাইবা চিৰৰোগী হৈ যায় নাইবা নাৰী-পুৰুষৰ মিলানত অপৰাগ হৈ যায় এনে অৱস্থাত পুৰুষক দ্বিতীয় বিবাহৰ অনুমতি নিদিয়াটো পৰুষ শক্তিৰ ওপৰত জুলুম কৰাহে হ'ব। দৰাচলতে আল্লাহ তায়লাৰ প্ৰদত্ত চৰিয়ত এই বিষয় সমুহৰ ওপৰত গুৰুত্ব দি পুৰুষৰ বাবে বাট দেখুৱাই দিছে। তেনেকৈ মহিলা সকলেও পুৰুষ অপৰাগ বা অক্ষম হৈ পৰিলে হাকিমৰ জৰিয়তে খোলা লব পাৰে যি তালাকৰ অন্য নাম। আল্লাহ তায়লা জমাতৰ পুৰুষ মহিলা সকলক বিবেক দান কৰক। তেওঁলোকৰ পাৰিবাৰিক সমস্যা আল্লাহ তায়লাৰ শিক্ষা অনুযায়ী সমাধান কৰক। পাৰ্থিৱ লালচৰ বিপৰীতে ধৰ্মই প্ৰাধান্য লাভ কৰক। আল্লাহ তায়লাৰ ভয় আৰু তাকওয়া সদায় দৃষ্টি পটত থাকক। এনেদৰে সম্বন্দ গঢ়াৰ নতুন-নতুন সমস্যাবোৰ আল্লাহ তায়লা দুৰ কৰক। ল'ৰা ছোৱালীক জ্ঞান দান কৰক যাতে তেওঁলোকে বুজি পায় যে বিয়া কেৱল পাৰ্থিৱ প্ৰয়োজনত পতা নহয় বৰং ধৰ্মক প্ৰাধান্য দি ভৱিষ্যত প্ৰজন্মক ধৰ্মৰ বাটত চলোৱাৰ বাবে হয়।

হুযুৰ আনোৱাৰ (আইঃ) যে নমাজে জুমাৰ পিছত মকৰৰম মহম্মদ নৱাজ মোমিন চাহাব আৰু মকৰৰম ছৈয়দ ৰফিক আহমদ ছফিৰ চাহাবৰ নমাজে জানাজা পঢ়াৰ ঘোষণা কৰে। জানাজা উপস্থিত, লগতে মিৰ্জা লাইক আহমদ আৰু মকৰৰম আইনুউল্লাহ খান চাহাবৰ নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তায়লা এওঁলোকৰ মাগফিৰাত কৰক। আমিন

*********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 3 March 2017**

**BOOK POST (PRINTED MATTER)**

**To**

____________________

____________________

____________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890**